# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-06-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশক প্ৰযুক্তিৰ দিশত আগবঢ়াই নিয়াৰ লগতে স্ব-নিৰ্ভৰশীল কৰি তোলাৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ ভূমিকাক প্ৰশংসা কৰিছে।

২। ভাৰত আৰু ছুইডেনৰ শীৰ্ষস্থানীয় ব্যৱসায়িক নেতা আৰু ছুইডেনৰ উদ্যোগ মহাসংঘৰ প্ৰতিনিধিৰ সৈতে কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে মত বিনিময় কৰে।

৩। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামেৰে অসম চৰকাৰে প্ৰৱৰ্তন কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ধ্ৰুপদী নৃত্যশিল্পী ডঃ সোনাল মানসিঙক প্ৰদান কৰা হয়।

৪। সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে নতুন দিল্লীৰ ৰাজঘাটত লোক সম্বৰ্ধন পৰ্ব উদ্বোধন কৰে।

আৰু

৫। লণ্ডনৰ লৰ্ডছত অনুষ্ঠিত আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত দক্ষিণ আফ্ৰিকাই অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশক প্ৰযুক্তিৰ দিশত আগবঢ়াই নিয়াৰ লগতে স্ব-নিৰ্ভৰশীল কৰি তোলাৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ ভূমিকাক প্ৰশংসা কৰিছে। ডিজিটেল ইণ্ডিয়াই যুৱ প্ৰজন্মক উদ্ভাৱনীমূলক কাম-কাজ কৰাৰ ক্ষেত্ৰত উৎসাহিত কৰাৰ উপৰি বিগত ১১ বছৰত ভাৰতক গোলকীয় প্ৰযুক্তিৰ শক্তি কেন্দ্ৰলৈ ৰূপান্তৰ ঘটাইছে বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। সামাজিক মাধ্যম এক্সত মাই গভ ইণ্ডিয়াৰ এটা বাৰ্তাত সঁহাৰি দি মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰযুক্তিৰ সুচল ব্যৱহাৰৰ দ্বাৰা জনসাধাৰণ বিভিন্ন দিশত উপকৃত হৈছে। ডিজিটেল ইণ্ডিয়া কাৰ্যসূচীয়ে প্ৰযুক্তিক সবলীকৰণ, ব্যৱধান হ্ৰাস, বিভিন্ন সুযোগ সন্ধান আৰু প্ৰশাসনক স্বচ্ছ তথা জনসাধাৰণৰ কাষ চপাই নিয়াৰ মাধ্যম হিচাপে পৰিণত কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয়, যে সেৱা প্ৰদানৰ সুবিধা আৰু স্বচ্ছতা নিশ্চিত হোৱাৰ লগতে প্ৰযুক্তিয়ে আটাইতকৈ দৰিদ্ৰজনৰ সৱলীকৰণৰ মাধ্যম হিচাপে বিবেচিত হৈছে। আওহতীয়া গাঁওসমূহলৈ ইণ্টাৰনেটৰ সুবিধা লৈ যোৱাৰ পৰা আৰম্ভ কৰি সাম্প্ৰতিক সময়ৰ ডিজিটেল লেনদেনৰ ব্যৱস্থালৈকে এই ৰূপান্তৰে বিশ্বক নেতৃত্ব প্ৰদান কৰিবলৈ সমৰ্থ হৈছে। ১১ বছৰৰ ডিজিটেল ইণ্ডিয়া কাৰ্যসূচী সৰ্বাত্মক বিকাশ, উদ্ভাৱন আৰু ভাৰত প্ৰযুক্তিক্ষেত্ৰৰ শক্তিকেন্দ্ৰৰূপে পৰিগণিত হোৱাৰ এটা সফল কাহিনী বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰে।

০০০০০০০০০

ভাৰত আৰু ছুইডেনৰ অংশীদাৰিত্বই দুখন পৃথক অৰ্থনীতিৰ ৰাষ্ট্ৰই কিদৰে লক্ষ্য আৰু সহযোগিতাৰ বিনিময়েৰে পাৰস্পৰিক লাভ অৰ্জন কৰিব পাৰে, সেই কথাৰ আৰ্হি দেখুৱাই বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে। ছুইডেনত কালি ভাৰত-ছুইডেন বাণিজ্য আৰু বিনিয়োগ সম্পৰ্কীয় নীতিৰ উচ্চ পৰ্যায়ৰ বৈঠকত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। এই অনুষ্ঠানত শ্ৰী গোৱেলে ভাৰত আৰু ছুইডেনৰ শীৰ্ষস্থানীয়  ব্যৱসায়িক নেতা আৰু ছুইডেনৰ উদ্যোগ মহাসংঘৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই অনুষ্ঠানত উন্মোচিত প্ৰস্তাৱিত ভাৰত-ইউৰোপীয়ান সংঘৰ মুক্ত বাণিজ্য চুক্তিৰ যুটীয়া বিবৃতি পত্ৰত ভাৰতৰ ৰাষ্ট্ৰসমূহৰ সৈতে অৰ্থনৈতিক বান্ধোন শক্তিশালী কৰা আৰু সৰ্বাত্মক বিকাশ নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০০০০০

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰি আহিছে। আজিৰ

শিতানত ডিজিটেল ইণ্ডিয়া কাৰ্যসূচীৰ অধীনত কিদৰে প্ৰযুক্তি, প্ৰশাসন সৰ্বাত্মক বিকাশ আৰু সবলীকৰণৰ মেৰুদণ্ড হৈ পৰিছে সেই সন্দৰ্ভত আলোকপাত কৰিবলৈ লোৱা হৈছে।

ভইচ

*বিগত দশকটোত কেন্দ্ৰীয় চৰকাৰে প্ৰযুক্তিক সৰ্বাত্মক বিকাশ আৰু জনসাধাৰণৰ জীৱন সুচল কৰি তোলাৰ শক্তিশালী মাধ্যম হিচাপে ব্যৱহাৰ কৰিছে। ডিজিটেল লেন-দেনৰ ক্ষেত্ৰত সৰ্বব্যাপী উল্লেখনীয় সফলতা লাভ কৰা হৈছে। চলিত বছৰৰ এপ্ৰিলতে এহেজাৰ ৮৬৭ কোটিৰো অধিক ইউ পি আই লেনদেন সম্পন্ন হৈছে আৰু ইয়াৰ মূল্য ২৫ লাখ কোটি টকাৰো অধিক। আৰব-আমিৰী ৰাষ্ট্ৰ, ছিংগাপুৰ, ভূটান, নেপাল, শ্ৰীলংকা, ফ্ৰান্স আৰু মৰিছাছৰ লগতে ভাৰতে ইউ পি আইৰ দ্বাৰা ডিজিটেল লেনদেনৰ ক্ষেত্ৰত গোলকীয় নেতৃত্ব বহন কৰিছে। ডিজিটেল ৰূপান্তৰৰ ক্ষেত্ৰত ভাৰতে লাভ কৰা আন এটা সফলতাৰ দ্বাৰা ডাটা ব্যয়ৰ ৯৬ শতাংশ হ্ৰাস হৈছে আৰু দেশৰ ৯৯ দশমিক ৬ শতাংশ জিলাক ফাইভ জি সেৱাৰে সামৰি লোৱা হৈছে। ২ লাখ ১৮ হাজাৰৰো অধিক গাঁও পঞ্চায়তে ভাৰত নেট আঁচনিৰ অধীনত ব্ৰডবেণ্ড সেৱা লাভ কৰিছে। তদুপৰি যোৱা ১১ বছৰত ভাৰতত ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যা ২৮৫ শতাংশ বৃদ্ধি হৈছে। ভাষিণীৰ দৰে পদক্ষেপৰ সহায়ত ভাষিক ব্যৱধান হ্ৰাস হৈছে আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত ২২ টা ভাৰতীয় ভাষাৰ অনুবাদ সম্ভৱ হৈ উঠিছে। আধাৰ প্ৰত্যায়িতকৰণৰ দ্বাৰা প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰ জৰিয়তে লক্ষাধিক ভুৱা হিতাধিকাৰীক চিনাক্ত কৰা সম্ভৱ হৈ উঠিছে আৰু ইয়াৰ ফলত সমগ্ৰ ব্যৱস্থাটো স্বচ্ছ হোৱাৰ উপৰি ৰাজহুৱা ধন ৰাহি হৈছে তথা জনকল্যাণমূলক সেৱা নিৰ্ধাৰিত সময়ত প্ৰদানত সুবিধা হৈছে।*

০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামেৰে অসম চৰকাৰে প্ৰৱৰ্তন কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা, পদ্ম বিভূষণ সন্মানেৰে সন্মানিত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ধ্ৰুপদী নৃত্যশিল্পী ড° সোনাল মানসিঙক আজি প্ৰদান কৰা হয়। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই উপলক্ষে আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ড° মানসিঙক ২০২৩ বৰ্ষৰ এই বঁটা প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পদ্ম ভূষণ সন্মানেৰে সন্মানিত নৃত্যাচাৰ্য যতীন গোস্বামীৰ উপৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তনৰ জৰিয়তে অসমত আধ্যাত্মিক নৱজাগৰণৰ সুচনা কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰাজী বিশ্বৰ প্ৰেক্ষাপটত দাঙি ধৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে ১৯৮৬ চনৰ পৰা সাহিত্য, কলা, সংস্কৃতি, সাংবাদিকতাকে ধৰি বিভিন্ন ক্ষেত্ৰত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰা ব্যক্তিলৈ এই বঁটা আগবঢ়াই আহিছে। এই বঁটাত নগদ ধনৰ উপৰি এখন প্ৰশংসা পত্ৰ, এটা সোণৰ পদক, এখন শৰাই আৰু অংগবস্ত্ৰ আগবঢ়োৱা হয়। ২০০৮ চনৰ পৰা প্ৰতি ৩ বছৰৰ ব্যৱধানত এই বঁটা প্ৰদান কৰি অহা হৈছে।

আজিৰ অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে মহিলা সৱলীকৰণ, সামাজিক ন্যায় আৰু পৰিৱেশ সচেতনতাৰে নিদৰ্শন দাঙি ধৰা তথা কলাক অনবদ্য মানলৈ উন্নীত কৰা প্ৰসিদ্ধ নৃত্য শিল্পীগৰাকীক এই বঁটা প্ৰদান কৰি অসমবাসী গৌৰৱান্বিত বুলি মন্তব্য কৰে। অসংখ্য ভাৰতীয়ৰ প্ৰেৰণাৰ স্ৰোতস্বৰূপ তেওঁ জীৱন আৰু নৃত্য সাধনাই সমাজ জীৱনক উদ্ভাসিত কৰি তুলিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। এই অনুষ্ঠানতে ড° শৰ্মাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মীয় আৰু সামাজিক সংস্কাৰ তথা ভক্তিবাদৰ মাধ্যমেৰে সামাজিক আৰু গণতান্ত্ৰিক প্ৰমূল্য প্ৰোথিত কৰাৰ প্ৰচেষ্টাৰ বিষয়েও আলোকপাত কৰে।

০০০০০০

সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি নতুন দিল্লীৰ ৰাজঘাটত লোক সম্বৰ্ধন পৰ্ব উদ্বোধন কৰে। অহা দেওবাৰে এই অনুষ্ঠানৰ সামৰণি পৰিব। অনুষ্ঠানত 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰয়াস' দৃষ্টিভংগীৰ অধীনত চৰকাৰৰ মুখ্য আঁচনি কাৰ্যসূচী আৰু সফলতাসমূহ প্ৰদৰ্শন কৰা হ'ব। অনুষ্ঠানত সংখ্যালঘু সম্প্ৰদায়ৰ অৰ্থনৈতিক সবলীকৰণ বিশেষকৈ পৰম্পৰাগত শিল্পী-কাৰিকৰসকলৰ সবলীকৰণৰ দিশত চৰকাৰৰ অবিৰত প্ৰচেষ্টাত আলোকপাত কৰা হৈছে। শ্ৰী ৰিজিজুৱে আজি সাংবাদিকৰ আগত কয়, যে গাঁৱৰ লোকসকলৰ মাজত যথেষ্ট প্ৰতিভা আছে আৰু এই মঞ্চৰ জৰিয়তে তেওঁলোকৰ হস্তনিৰ্মিত কলাসমূহক এখন বজাৰ উপলব্ধ কৰোৱাৰ প্ৰয়াস কৰোৱা হৈছে। তেওঁলোকে নিৰ্মাণ কৰা

সামগ্ৰীসমূহ এখন ৰাজ্যৰ পৰা আনখন ৰাজ্যলৈ নিয়াৰ ক্ষেত্ৰতো এই অনুষ্ঠানে সহায় কৰিব বুলি শ্ৰী ৰিজিজুৱে প্ৰকাশ কৰে। অনুষ্ঠানত চৰকাৰৰ বিভিন্ন পদক্ষেপসমূহত আলোকপাত কৰাৰ উপৰি লাখ বেংগল, কাঠত খোদিত চিত্ৰকলা, এম্ব্ৰইডাৰী, বানাৰসী ব্ৰকেড, ফুলকাৰীৰ দৰে পৰম্পৰাগত হস্তশিল্প আৰু কলাৰ এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে।

০০০০০০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কয়, যে দেশত যোৱা এটা দশকতে প্ৰত্যক্ষ লাভ হস্তান্তৰ ৯০ গুণতকৈ অধিক বৃদ্ধি হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী সীতাৰমনে কয়, যে ২০১৪ চনত ৭ হাজাৰ কোটিৰো অধিক প্ৰত্যক্ষ লাভ হস্তান্তৰ কৰা হৈছিল আৰু বিগত বিত্তীয় বৰ্ষত এই পৰিমাণ ৬ লাখ ৪৩ হাজাৰ কোটিলৈ বৃদ্ধি হৈছে। ২০২৪-২৫ বৰ্ষত ২৬০ লাখ কোটিৰো অধিক ধন লেনদেনেৰে ভাৰতে বাস্তৱিক লেনদেনৰ ক্ষেত্ৰত বিশ্বক নেতৃত্ব দিছে বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০০০

সমগ্ৰ দেশতে অহা ২১ জুনত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে পুৱা চাৰে ৬ বজাৰ পৰা ৭ বাজি ৪০ মিনিটলৈ ১ লাখৰো অধিক যোগ কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। এই বছৰৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ বিষয়বস্তু হৈছে – 'এখন পৃথিৱী, এটা স্বাস্থ্য'। কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী প্ৰতাপ ৰাও যাদৱে আজি নতুন দিল্লীত সাংবাদিকৰ আগত কয়, যে যোগ দিৱসৰ মূল কাৰ্যসূচী অন্ধ্ৰ প্ৰদেশৰ বিশাখাপট্টনমত অনুষ্ঠিত হ'ব আৰু এই কাৰ্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিব। লালকিল্লা, কৰ্তব্যপথ আৰু লোধি গাৰ্ডেনকে ধৰি দিল্লীৰ ১১১ টা স্থানত যোগ দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০০০০০

লণ্ডনৰ লৰ্ডছত অনুষ্ঠিত আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপ ফাইনেলত দক্ষিণ আফ্ৰিকাই অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব।

কালি প্ৰথম দিনৰ অন্তত দক্ষিণ আফ্ৰিকাই ৪ উইকেটৰ বিনিময়ত ৪৩ ৰান সংগ্ৰহ কৰে। অষ্ট্ৰেলিয়াৰ শক্তিশালী বলিঙৰ পাছত আজি দ্বিতীয় দিনা দক্ষিণ আফ্ৰিকাৰ অধিনায়ক টেম্বা বাভুমা আৰু ডেভিড বেডিংহামে খেল আৰম্ভ কৰিব।

প্ৰথমে বেট ধৰিবলৈ আমন্ত্ৰণ লাভ কৰাৰ পাছত যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াই আটাইকেইটা উইকেট হেৰুৱাই ২১২ ৰান সংগ্ৰহ কৰে। দলৰ হৈ বিউ ৱেবষ্টাৰে সৰ্বাধিক ৭২ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ হৈ কাগিছ' ৰাবাদাই ৫টা, মাৰ্কো জেনচেনে তিনিটা আৰু কেশভ মহাৰাজ আৰু এইডেন মাৰ্কৰামে এটাকৈ উইকেট দখল কৰে।

আকাশবাণীয়ে হিন্দী আৰু ইংৰাজীত সলনাসলনিকৈ এই খেলখনৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰিব। আকাশবাণীৰ ইন্দ্ৰপ্ৰস্থ আৰু অন্যান্য চেনেলসমূহত দিনৰ ২ বাজি ৫৫ মিনিটৰ পৰা এই চলন্ত বিৱৰণী শুনিবলৈ পোৱা যাব।

০০০০০০০০০

সমাপ্ত